**REGIONAL NEWS UNIT**

ALL INDIA RADIO, GUWAHATI

0000000000

Date : 11-10-2025 **Time :** 1205Hrs.

## **Assamese Midday Bulletin**

আইন মাথো নীতি-নিয়মৰ সমষ্টি নহয়, বৰং ই হৈছে ৰাষ্ট্ৰ আৰু জনসাধাৰণৰ মাজৰ সেতু স্বৰূপ। গুৱাহাটীত অনুষ্ঠিত ৰাষ্ট্ৰীয় আইন সেৱা প্ৰধিকৰণৰ পূব মণ্ডল আঞ্চলিক সন্মিলনত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে স্বাধীনতা লাভৰ পাছৰে পৰা ন্যায়পালিকাই দেশৰ গণতান্ত্ৰিক ব্যৱস্থাৰ শক্তিশালী প্ৰতিষ্ঠান হিচাপে কাম কৰি আহিছে।

০০০০

অসম আৰক্ষীৰ কনিষ্টবল পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হৈছে। গুৱাহাটী উচ্চ ন্যায়ালয়ে কনিষ্টবল পদত থকা স্থগিতাদেশ প্ৰত্যাহাৰ কৰাৰ পাছত আজি ৫ হাজাৰ ৬১৪টা পদৰ ফলাফল ঘোষণা কৰা হয়। ৰাজ্যিক পৰ্যায়ৰ আৰক্ষী নিযুক্তি পৰিষদৰ আনুষ্ঠানিক ৱেবছাইট SLPRB ASSAM.IN আপলোড কৰা হৈছে।

ইপিনে ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি বোৰ্ডে কালি ৭ হাজাৰ ৬৫০ টা তৃতীয় বৰ্গৰ পদৰ বাবে অনুষ্ঠিত পৰীক্ষাৰ ফলাফল ঘোষণা কৰে।

ফলাফলত উত্তীৰ্ণ প্ৰাৰ্থীসকলে ৫০ টা বিভাগত নিযুক্তি লাভ কৰিব। ইয়াৰ ভিতৰত কৃষি বিভাগত সৰ্বাধিক এহেজাৰ ৮৫০ টা, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত ৮৭৩ টা আৰু বিদ্যালয় শিক্ষা বিভাগত ৫৮১ টা পদ খালী আছে।

তৃতীয় বৰ্গৰ পদৰ ফলাফলৰ লগতে অসম আৰক্ষীৰ ৬২৫ টা পদৰ ফলাফলো কালি ঘোষণা কৰা হয়।

০০০০

ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, আই আই টি গুৱাহাটীত কালিৰে পৰা তিনিদিনীয়াকৈ দশম গৱেষণা আৰু ঔদ্যোগিক অবিৱৰ্তন-২০২৫ অনুষ্ঠিত হৈছে। কালি সন্ধিয়া অৱসৰপ্ৰাপ্ত লেফটেনেণ্ট জেনেৰেল ৰাণা প্ৰতাপ কলিতাই বন্তি প্ৰজ্বলেনেৰে এই অভিৱৰ্তন মুকলি কৰি কয়।

বাইট....ৰাণা প্ৰতাপ

উদ্বোধনী অনুষ্ঠানত আই আই টি গুৱাহাটীৰ মেকানিকেল বিভাগৰ অধ্যাপক ড০ কৰুণা কলিতাই আদৰণি ভাষণ দিয়ে। অনুষ্ঠানত অভিৱৰ্তনত অংশগ্ৰহণ কৰা এহেজাৰগৰাকী গৱেষকৰ পত্ৰ আৰু ষ্টাৰ্টআপ প্ৰতিষ্ঠানৰ তথ্য সম্বলিত পুস্তিকাও উন্মোচন কৰা হয়। এই অভিবৰ্তনত দেশৰ বিভিন্ন প্ৰান্তৰ ৩০খনৰো অধিক বিশ্ববিদ্যালয়ৰ প্ৰায় ৪০০ গৰাকী গৱেষকে গৱেষণা পত্ৰ পাঠ কৰিব আৰু গৱেষণা প্ৰদৰ্শন কৰিব। এইবেলি অভিৱৰ্তনত স্বাস্থ্য, শিক্ষা, সুৰক্ষা আৰু কৃত্ৰিম বুদ্ধিমত্তা প্ৰযুক্তিৰ বিষয়ে

বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে।

০০০০

ৰাজ্যৰ আন প্ৰান্তৰ লগতে দক্ষিণ শালমাৰা মানকাচৰ জিলাতো কাইলৈৰ পৰা তিনিদিনীয়াকৈ পলিঅ' প্ৰতিষেধক প্ৰদান কাৰ্যসূচী অনুষ্ঠিত হ'ব। জিলাখনৰ ৩২২টা স্থানত প্ৰায় ৮০ হাজাৰ শিশুক পলিঅ' প্ৰতিষেধক দিয়া হ'ব বুলি জিলা আয়ুক্ত ৰাহুল কুমাৰ গুপ্তাই এখন সংবাদমেলযোগে জানিবলৈ দিয়ে। তেওঁ কয়, যে কাইলৈ ৩২২টা স্থানত ৫ বছৰ তলৰ বয়সৰ শিশুক টীকাকৰণ কৰাৰ পাছত ১৩ আৰু ১৪ অক্টোবৰত ঘৰে ঘৰে গৈ টীকাকৰণৰ প্ৰস্তুতি হাতত লোৱা হ'ব।

লখিমপুৰ জিলাৰ ৮৬২টা স্থানত পলিঅ' টীকাকৰণ কাৰ্যসূচী অনুষ্ঠিত হ'ব। জিলাখনৰ প্ৰায় এক লাখ ৪০ হাজাৰ শিশুক পলিঅ'ৰ টীকা দিয়া হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাইলৈ পালন কৰিবলগীয়া পলিঅ' দিৱস উপলক্ষে শিশুৰ সম্পূৰ্ণ সুৰক্ষাৰ বাবে জীৱন ৰক্ষাকাৰী পলিঅ' প্ৰতিষেধক প্ৰদান নিশ্চিত কৰিবলৈ সকলো পিতৃ-মাতৃ আৰু অভিভাৱকক আহ্বান জনাইছে।

০০০০

আকাশবাণীৰ সৈতে সম্পৰ্ক আৰু আকাশবাণীৰ বৰ্তমানৰ অনুষ্ঠানসমূহৰ মান সম্পৰ্কত কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে আগবঢ়োৱা মতামতে আজি নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ কৰা হ'ব এটা বিশেষ দৃষ্টিপাত। এই অনুষ্ঠানত ভাগ ল'ব বিশিষ্ট বিজ্ঞানী কল্পবিজ্ঞান লেখক ড০ দীনেশ চন্দ্ৰ গোস্বামী। অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত শীৰ্ষ বিষয়া ধীৰেন্দ্ৰ নাথ শইকীয়া, ভাৰতীয় ৰিজাৰ্ভ বেংকৰ প্ৰাক্তন জ্যেষ্ঠ বিষয়া শেৱালী চৌধুৰী, বিশিষ্ট শিল্পী, বনচাই বিশেষজ্ঞ লাবু সেনাপতি আৰু জ্যেষ্ঠ সাংবাদিক গৌতম শৰ্মাই। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০

কামৰূপ জিলাৰ আমিনগাঁৱত অনুষ্ঠিত বি ডব্লিউ এফ বিশ্ব জুনিয়ৰ বেডমিণ্টন চেম্পিয়নশ্বিপৰ দলীয় শাখাৰ ফাইনেলত আজি ইণ্ডোনেছিয়া চীনৰ মুখামুখি হ'ব। কালি অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত ইণ্ডোনেছিয়াই ভাৰতক পৰাস্ত কৰে। আনহাতে দ্বিতীয়খন ছেমি ফাইনেলত চীনে জাপানক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে।

০০০০০০০

সমাপ্ত